**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। সংসদে বেংকিং আইন সংশোধনী বিধেয়ক, ২০২৪-ত অনুমোদন জনাইছে।

২। উদ্ভাৱনে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰূপায়ণ কৰা কাম-কাজৰ ভাগ্য নিৰ্ণয় কৰিব বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৩। DRDO আৰু নৌ-সেনাই কালি ভূপৃষ্ঠৰ পৰা ভূপৃষ্ঠলৈ উলম্বভাৱে নিক্ষেপ কৰিব পৰা হ্ৰস্ব দূৰত্বভেদি ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে।

৪। কেন্দ্ৰীয় চৰকাৰৰ তথ্য উদ্ঘাটন গোটে যোৱা তিনিটা বছৰত ডেৰহাজাৰৰো অধিক ভুৱা বাতৰি চিনাক্ত কৰিছে।

আৰু

৫। কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সংসদে বেংকিং আইন সংশোধনী বিধেয়ক, ২০২৪-ত অনুমোদন জনাইছে। ৰাজ্যসভাই কালি এই বিধেয়কখন গ্ৰহণ কৰে। লোকসভাত বিধেয়কখন ইতিপূৰ্বে গৃহীত হৈছে। এই বিধেয়কখনৰ জৰিয়তে ১৯৩৪ চনৰ ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৪৯ চনৰ বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৫৫ চনৰ ভাৰতীয় ষ্টেট বেংক আইন, ১৯৭০ চনৰ বেংকিং কোম্পানী অধিগ্ৰহণ আৰু হস্তান্তৰ আইন আৰু ১৯৮০ চনৰ বেংকিং কোম্পানী অধিগ্ৰহণ আৰু হস্তান্তৰ আইনৰ সংশোধন কৰিব বিচৰা হৈছে। বিধেয়কখনৰ জৰিয়তে প্ৰতিটো বেংক একাউণ্টৰ বিপৰীতে মনোনীত ব্যক্তিৰ সংখ্যা বৰ্তমানৰ ১ৰ পৰা ৪ লৈ বৃদ্ধি কৰাৰ বিকল্পৰ দিহা কৰিব বিচৰা হৈছে। বিধেয়কখনত লগতে কোনো ব্যক্তিৰ পৰ্যাপ্ত হিত শব্দটো নতুনকৈ পৰিভাষিত কৰিব বিচৰা হৈছে। এই অনুসৰি বৰ্তমানৰ ৫ লাখ টকাৰ সীমা ২ কোটি টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। বিধেয়কখনত বেংকসমূহক হিচাপ পৰীক্ষকসকলৰ পাৰিশ্ৰমিক নিৰ্ধাৰণ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কয়, যে চৰকাৰে বেংকিং খণ্ডক সুদৃঢ় কৰি তোলাৰ বাবে ভালেমান সংস্কাৰ সাধন কৰিছে। তেওঁ কয়, যে ২০১৪ চনত বেংকসমূহ হেঁচাৰ সন্মুখীন হৈছিল যদিও নৰেন্দ্ৰ মোদী চৰকাৰে ক্ষমতালৈ অহাৰ পাছত এটা শক্তিশালী বেংকিং প্ৰণালী পৰিকাঠামো গঢ়ি তোলে আৰু ইয়াৰ ফলত বেংকসমূহত বিত্তীয় অৱস্থা টনকিয়াল হৈ উঠিছে। তেওঁ কয়, যে ৰাজহুৱা খণ্ডৰ বেংকসমূহে যোৱা বছৰত ১ লাখ ৪১ হাজাৰ কোটি টকাৰ সৰ্বাধিক শুদ্ধ লাভ অৰ্জন কৰিছে। তেওঁ কয়, যে চৰকাৰে বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়াৰ প্ৰসাৰ ঘটাইছে আৰু বেংকিং সেৱাৰ সুবিধা সমাজৰ শেষৰগৰাকী ব্যক্তিলৈ লৈ গৈছে। চৰকাৰে নাগৰিককেন্দ্ৰিক বেংকিং সেৱা সুনিশ্চিত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয়, যে বৰ্তমানলৈকে ৫৫ কোটি জন ধন একাউণ্ট খোলা হৈছে আৰু ইয়াৰে ৫৫ শতাংশ একাউণ্ট মহিলাৰ।

মন্ত্ৰীগৰাকীয়ে কয়, যে বেংকসমূহৰ অনাদায় ঋণৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছে আৰু ইচ্ছাকৃতভাৱে ঋণ পৰিশোধ নকৰাসকলৰ বিৰুদ্ধে ধন আদায়ৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। তেওঁ কয়, যে বিধি বলৱৎকাৰী সঞ্চালকালয়ে বিগত ৫ বছৰত ইচ্ছাকৃতভাৱে ধন পৰিশোধ নকৰাকে ধৰি বেংক জালিয়াতিৰ প্ৰায় ৯১২ টা ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। এই সংক্ৰান্তত প্ৰায় ৪৪ হাজাৰ ২০৪ কোটি টকা জব্দ কৰা হৈছে। তেওঁ কয়, যে পলাতক অৰ্থনৈতিক অপৰাধী আইনৰ অধীনত বিদেশলৈ পলাই যোৱা অৰ্থনৈতিক অপৰাধীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যোৱা ডিচেম্বৰ পৰ্যন্ত ৯গৰাকী ব্যক্তিক

পলাতক অৰ্থনৈতিক অপৰাধী বুলি ঘোষণা কৰা হৈছে আৰু প্ৰায় ৭৫০ কোটি টকাৰ সম্পত্তি জব্দ কৰা হৈছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ শক্তি সিং গোহিলে কয়, যে কংগ্ৰেছৰ দিনত বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। তেওঁ কয়, যে বিধেয়কখনত চৰকাৰে সমবায় বেংকসমূহৰ সঞ্চালকসকলৰ কাৰ্যকাল ৮ বছৰৰ পৰা ১০ বছৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিছে। বিজেপিৰ অৰুণ সিঙে কয়, যে বেংকিং ব্যৱস্থা দেশৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ।

আম আদমি পাৰ্টীৰ ৰাঘৱ চদ্ধাই আলোচনাত অংশগ্ৰহণ কৰি কয়, যে গ্ৰামাঞ্চলৰ ৫০ শতাংশ লোক এতিয়াও বেংকিং ব্যৱস্থাৰ পৰা দূৰত আছে আৰু গ্ৰামাঞ্চলৰ ৩০ শতাংশ পৰিয়াল বেংকিং সেৱাৰ পৰিধিৰ বাহিৰত আছে। তেওঁ কয়, যে দেশত চাইবাৰ প্ৰৱঞ্চনা আৰু ডিজিটেল এৰেষ্টৰ দৰে ঘটনা বৃদ্ধি পাইছে আৰু যোৱাবছৰ ২ লাখ ৯২ হাজাৰটা এনে ঘটনা সংঘটিত হোৱাৰ কথা পোহৰলৈ আহিছে।

০০০০০০০০০

উদ্ভাৱনে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰূপায়ণ কৰা কাম-কাজৰ ভাগ্য নিৰ্ণয় কৰিব বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় বৌদ্ধিক সম্পত্তিৰ বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে গৱেষণা আৰু বিকাশ, উদ্ভাৱনী সঁজুলি আৰু সামগ্ৰী তথা সেৱাক গুৰুত্ব প্ৰদান নকৰাকৈ বিশ্বৰ কোনো দেশে বিকশিত ৰাষ্ট্ৰ হিচাপে দাবী কৰিব নোৱাৰে। মন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মৰ অংশগ্ৰহণেৰে উদ্ভাৱনৰ বাবে অনুকুল বাতাবৰণ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। ভাৰতে যাতে উদ্ভাৱকৰ দেশ হিচাপে বিশ্বত পৰিচয় লাভ কৰে, তাৰবাবে ঔদ্যোগিক গৱেষণা আৰু উন্নয়নত মনোনিৱেশ কৰিবলৈ তেওঁ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বৰ ভিতৰত ভাৰতত বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক বিদ্যা আৰু গণিতৰ সৰ্বাধিক স্নাতক আছে। তেওঁ লগতে যুৱ প্ৰজন্মক বৌদ্ধিক সম্পত্তি ক্ষেত্ৰৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়।

০০০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা DRDO আৰু নৌ-সেনাই কালি ওড়িশাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা থলুৱাভাৱে বিকশাই তোলা ভূপৃষ্ঠৰ পৰা ভূপৃষ্ঠলৈ উলম্বভাৱে নিক্ষেপ কৰিব পৰা হ্ৰস্ব দূৰত্বভেদি ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। পৰীক্ষাকালত ভূ-ভাগৰ পৰা উলম্ব উৎক্ষেপকৰ সহায়ত একেবাৰে ওচৰৰ আৰু ভূপৃষ্ঠৰ পৰা কম উচ্চতাত দ্ৰুতবেগেৰে অহা লক্ষ্য ভেদ কৰা হয়। ইয়াৰ জৰিয়তে ক্ষেপনাস্ত্ৰবিধৰ কম উচ্চতাত ওচৰৰ লক্ষ্য ভেদৰ সামৰ্থ্য প্ৰতিপন্ন হয়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ তথ্য উদ্ঘাটন গোটে যোৱা তিনিটা বছৰত  ডেৰহাজাৰৰো অধিক ভুৱা বাতৰি চিনাক্ত কৰিছে। লোকসভাত কালি এটা লিখিত উত্তৰত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এনে বাতৰি সংক্ৰান্তত ৭২ হাজাৰৰো অধিক প্ৰশ্ন লাভ কৰা হৈছে। তেওঁ কয়, যে প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ তথ্য উদ্ঘাটন গোটে সামাজিক মাধ্যম হেণ্ডেল যোগে চালিজাৰি চাই সঠিক তথ্য প্ৰকাশ কৰি আহিছে। তেওঁ কয়, যে চৰকাৰৰ সৈতে জড়িত ভুৱা বাতৰি আৰু ভুল তথ্যৰ প্ৰসাৰ ৰোধ কৰাৰ উদ্দেশ্যে ২০১৯ চনত তথ্য উদ্ঘাটন গোট স্থাপন কৰা হৈছিল। জনসাধাৰণে চৰকাৰৰ সৈতে জড়িত বিষয় সম্পৰ্কে প্ৰচাৰিত বাতৰি সম্পৰ্কে অভিযোগ আৰু সত্যাসত্য নিৰূপণৰ অনুৰোধ হোৱাট্ছএপ হটলাইন ৮৭৯৯৭-১১২৫৯ আৰু পি আই বিৰ তথ্য উদ্ঘাটন গোটৰ ৱেবছাইটযোগে প্ৰেৰণ কৰিব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

মতামতৰ ভিন্নতা কেতিয়াও বিবাদ আৰু প্ৰতিযোগিতা কেতিয়াও সংঘৰ্ষত পৰিণত হোৱা উচিত নহয় বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে উল্লেখ কৰিছে। নতুন দিল্লীত কালি এছিয়া ছ'চাইটিৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া ডং কেৰ্ডুং-বাহ কাঙৰ সৈতে ভাৰত-চীন সন্দৰ্ভত হোৱা কথা-বতৰাত শ্ৰী জয়শংকৰে এই বক্তব্য আগবঢ়ায়। দুয়োখন দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক থকা বিষয়সমূহত গুৰুত্ব দিয়াৰ ফলত যোৱা অক্টোবৰৰ পৰা দেশদুখনৰ সম্পৰ্ক কিছু উন্নত হৈছে বুলিও বৈদেশিক

মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ভাৰত আৰু চীনে দেশ দুখনৰ মাজৰ সম্পৰ্ক পুনৰ উন্নত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ কয়, যে ভাৰত আৰু চীনে বিভিন্ন ক্ষেত্ৰত প্ৰতিযোগিতাত ব্ৰতী হৈছে যদিও এই প্ৰতিযোগিতাৰ অৰ্থ এয়ে নহয়, যে দেশ দুখনৰ মাজত থকা বিবাদ আছে।

০০০০০০০০০

ভাৰতৰ অনাহত সিং, জোস্না চিনপ্পা আৰু অভয় সিঙে ইণ্ডিয়া অ'পেন স্কোৱাচ প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অনাহতে কালি মুম্বাইত অনুষ্ঠিত মহিলাৰ কোৱাৰ্টাৰ ফাইনেলত ইজিপ্তৰ নাডিয়া এল হন্মামিক ৩-২ ফলাফলত পৰাস্ত কৰে। একেদৰে জোস্না চিনপ্পাই আকাংক্ষা চালুংকেক ৩-২ ফলাফলত পৰাভূত কৰি মহিলাৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। শেহতীয়াকৈ ১ নম্বৰ বাছনি লাভ কৰা অনাহত সিঙে আজি হ'বলগীয়া মহিলাৰ প্ৰথমখন ছেমি ফাইনেলত পূৰ্বৰ এছিয়ান চেম্পিয়ন জোস্না চিনপ্পাৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব। ইপিনে, অভয় সিঙে কালি মালয়েছিয়াৰ অমিশনৰাজ চন্দ্ৰনক ৩-০ ফলাফলত পৰাজিত কৰি পুৰুষৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। অভয় আজি সন্ধিয়া ৭ বাজি ১৫ মিনিটত হ'বলগীয়া ছেমি ফাইনেলত ইজিপ্তৰ কৰিম এল হন্মামিৰ সন্মুখীন হ'ব।

০০০০০০০০০

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৮ উইকেটত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে ১৫২ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ'ভাৰ আৰু তিনিটা বলত দুটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। কুইণ্টন ডি ক'কে কলকাতা নাইট ৰাইডাৰ্ছৰ জয়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ক'কে ৬১ টা বলত ৯৭ ৰান কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেট হেৰুৱাই ১৫১ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

খেল' ইণ্ডিয়া পেৰা গেম্ছ ২০২৫-ৰ আজি সামৰণি পৰিব। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে আয়োজন কৰা এই ক্ৰীড়া মহোৎসৱৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ৰক্ষা নিখিল খৰ্চে উপস্থিত থাকিব। এই ৮ দিনীয়া ক্ৰীড়া মহোৎসৱৰ এহেজাৰ ৩০০ৰো অধিক গৰাকী পেৰা এথলিটে পেৰা আৰ্চাৰী, পেৰা এথলেটিক্চ, পেৰা বেডমিণ্টন পেৰা পাৱাৰ লিফ্টিং আৰু টেবল টেনিচকে ধৰি ছটা শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

০০০০০০০০০

সমাপ্ত